(২০১১) ৩ এছ.চি.আৰ ২০৯

ম. শুকুৰ আলী

-বনাম-

অসম ৰাজ্য

(ফৌজদাৰী আপীল নং ৫৪৬/২০১১)

২৪ ফেব্রুৱাৰী, ২০১১ চন।

(ন্যায়াধীঁশ মাৰ্কণ্ডে কেটজু আৰু ন্যায়াধীঁশ জ্ঞান সুধা মিশ্ৰাৰ খণ্ড বিচাৰপীঠ )

ফৌজদাৰী ন্যায়ৰ কাৰ্যকৰীকৰণ: অধিবক্তাৰ জৰিয়তে প্ৰতিৰক্ষা লাভ কৰাৰ অধিকাৰ-গৃহীত-এটা ফৌজদাৰী গোচৰত অধিবক্তাৰ অনুপস্থিতিত অভিযুক্তৰ বিৰুদ্ধে সিদ্ধান্ত লোৱা উচিত নহয়- কেৱল আইনৰ সৈতে পৰিচিত এজন অধিবক্তাই, ফৌজদাৰী গোচৰত এজন অভিযুক্তক সঠিকভাৱে প্ৰতিৰক্ষা প্ৰদান কৰিব পাৰে-অধিবক্তাৰ অনুপস্থিতিত অভিযুক্তৰ বিৰুদ্ধে অনুস্হিত কৰা ফৌজদাৰী গোচৰৰ (যিটো প্ৰাথমিক বিচাৰ বা আপীল/পুনৰীক্ষণ যিয়েই নহওক) বিচাৰ প্ৰক্ৰিয়াৰ দ্বাৰা সংবিধানৰ ২১ নং অনুচ্ছেদ উলংঘা কৰা হ'ব । কোনো এজন অধিবক্তাৰ অনুপস্থিতিত, সি যি কাৰণতেই নহওক, গোচৰটোৰ অভিযুক্তৰ বিৰুদ্ধে তৎক্ষণাত সিদ্ধান্ত গ্ৰহণ কৰা উচিত নহয়, কিন্তু এনে পৰিস্থিতিত আদালতে এগৰাকী অধিবক্তা, যিয়ে ফৌজদাৰী গোচৰৰ অনুশীলন কৰি আছে, তেওঁক ন্যায় মিত্ৰ ( amicus curiae ) হিচাপে নিযুক্তি প্ৰদান কৰি আৰু এটা তাৰিখ নিৰ্ধাৰণ কৰি,তেওঁৰ শুনানি গ্ৰহণ কৰাৰ পিছত গোচৰৰ সিদ্ধান্ত লোৱা উচিত -ভাৰতীয় সংবিধান, ১৯৫০ - অনুচ্ছেদ ২১।

এ.এছ.মহম্মদ ৰফি -বনাম- তামিলনাডু ৰাজ্য আৰু অন্যান্য, এআইআৰ ২০১১ এছচি ৩০৮; মান সিং আৰু অন্য-বনাম- মধ্যপ্ৰদেশ ৰাজ্য(২০০৮) ৯ এছচিচি ৫৪২; বাপু লিম্বাজী কাম্বলে -বনাম- মহাৰাষ্ট্ৰ ৰাজ্য (২০০5)

১১ এছচি ৪১২; মেনেকা গান্ধী –বনাম– ভাৰত যুক্তৰাজ্য এআইআৰ (১৯৭৮) এছচি ৫৯৭ৰ উদ্ধৃতিৰে...

পৱেল –বনাম– আলাবামা, ২৮৭ ইউ.এছ ৪৫ (১৯৩২); গিডিয়ন –বনাম– ৱেইনৰাইট ৩৭২ ইউ.এছ ৩৩৫ (১৯৬৩); ব্ৰেয়েৰ বনাম উইলিয়াম ৪৩০ ইউ.এছ ৩৮৭(১৯৭৭)ৰ উল্লিখনৰে.........

আইনজ্ঞ ছীৰভাই দ্বাৰা লিখিত ভাৰতীয় সংবিধানিক আইন– তৃতীয় সংস্কৰণৰ, উল্লিখনৰে.........

ন্যায়স্বীকাৰ্য বিধিৰ(case law) উল্লেখ:

এ আই আৰ ২০১১ এচ চি ৩০৮ৰ ৯নং দফাৰ ওপৰত নিৰ্ভৰশীল

(২০০৮) ৯ এচ চি চি ৫৪২ৰ ১০ নং দফাৰ ওপৰত নিৰ্ভৰশীল

(২০০৫) ১১ এছ চি ৪১২ৰ ১০ নং দফাৰ ওপৰত নিৰ্ভৰশীল

এ আই আৰ ১৯৭৮ এচ চি ৫৯৭ৰ ১২ নং দফাৰ ওপৰত নিৰ্ভৰশীল

২৮৭ ইউ এছ ৪৫ (১৯৩২)ৰ ৮ নং দফাত উল্লেখ কৰা হৈছে

৩৭২ ইউ এছ ৩৩৫ (১৯৬৩)ৰ ১৭ নং দফাত উল্লেখ কৰা হৈছে

৪৩০ ইউ এছ ৩৮৭ (১৯৭৭)ৰ ১৮ নং দফাত উল্লেখ কৰা হৈছে

ফৌজদাৰী আপীল ক্ষেত্ৰাধীকাৰ : ফৌজদাৰী আপীল নং ৫৪৬/২০১১

অসম স্হিত গুৱাহাটী উষ্চ ন্যায়ালয়ে, ইং ০১.০৬.২০১০ তাৰিখে ফৌজদাৰী আপীল নং ১৩৭/ ২০০৩ ত প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা–

ফেইল এছ নৰিমান, আজিম এইচ লস্কৰ, বেকাশ কৰ গুপ্তা, অভিজিত সেনগুপ্ত, অভিজিত ৰায়, ভাৰ্টিকা সাহায়ে (কৰ্পৰেট আইন গোটৰ বাবে) হাজিৰ হোৱা পক্ষসমূহক প্ৰতিনিধিত্ব কৰিছে।

নিম্নলিখিত ধৰণে আদালতৰ আদেশ প্ৰদান কৰা হৈছিল

আদেশ

১. অনুমতি প্ৰদান কৰা হৈছে।

২/ পক্ষসমূহক প্ৰতিনিধিত্ব কৰা অধিবক্তা সকলৰ শুনানি গ্ৰহণ কৰা হ'ল।

৩/ বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰীমান ফালি এছ. নৰিমানৰ বক্তব্যও আমি শুনিছো, যিয়ে এক গুৰুত্বপূৰ্ণ সাংবিধানিক আৰু আইনী প্ৰশ্ন জড়িত হৈ থকা গোচৰটোত ন্যায় মিত্ৰ ( amicus curiae ) হিচাপে আমাক সহায় কৰিবলৈ অতি সদয়ভাৱে সন্মতি দিছিল ।

৪/ সেই প্ৰশ্নটো হ'ল এটা ফৌজদাৰী গোচৰত যদি অভিযুক্তজনৰ পক্ষত থকা অধিবক্তাজন হাজিৰ নহয়, সি যি কাৰণতেই নহওক কিয়, অধিবক্তাৰ অনুপস্থিতিত গোচৰটোত অভিযুক্তজনৰ বিৰুদ্ধে সিদ্ধান্ত গ্ৰহণ কৰিবনে বা অভিযুক্তক প্ৰতিৰক্ষা প্ৰদান কৰিবলৈ আদালতে এজন ন্যায় মিত্ৰ ( amicus curiae ) নিয়োগ কৰিব?

৫) বৰ্তমানৰ গোচৰটোত দেখা গৈছে যে যোবা ইং ০১.০৬.২০১০ তাৰিখে গৌহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল নং ১৩৭/২০০৩ গোচৰত আপীলকাৰী অভিযুক্তৰ পক্ষত থকা অধিবক্তাৰ অনুপস্থিতিত সিদ্ধান্ত গ্ৰহণ কৰিছিল- দোষীসাব্যস্ত কৰণো বাহাল ৰখা হৈছিল ।

৬/ বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰীমান নৰিমানে এই কথা আঙুলিয়াই দিয়ে যে পূৰ্বে অধিবক্তা শ্ৰীমান এ. এছ. চৌধুৰী আপীলকাৰী-অভিযুক্তৰ পক্ষত আছিল কিন্তু আপীলকাৰীয়ে নিজৰ অধিবক্তা সলনি কৰি ২০০৭ চনত শ্ৰীমান বি. সিনহাক তেওঁৰ নতুন অধিবক্তা হিচাপে নিয়োগ কৰে আৰু এই তথ্য শপতনামাৰ দ্বাৰাও সমৰ্থিত। দুৰ্ভাগ্যজনকভাৱে শ্ৰীমান সিনহাৰ নামটো আপীলকাৰীৰ অধিবক্তা হিচাপে গোচৰটো তালিকাভুক্ত হোৱাৰ সময়ত প্ৰস্তুত কৰা কাৰণ তালিকাত (cause list) দেখুওৱা নাছিল আৰু পূৰ্বৰ অধিবক্তা শ্ৰীমান এ. এছ চৌধুৰী নামটো দেখুওৱা হৈছিল। এনে পৰিস্থিতিৰ বাবে

শ্ৰীমান সিনহা, যিজনক আপীলকাৰীয়ে তেওঁৰ নতুন অধিবক্তা হিচাপে নিয়োগ কৰিছিল, তেওঁ হাজিৰ হোৱা নাছিল।

৭) আমাৰ মতামত যে, যদিও ধৰি লোৱা হয় অভিযুক্তৰ পক্ষে থকা অধিবক্তাজন, কৰ্মত গাফিলতিৰ বাবে বা ইচ্ছাকৃতভাৱে হাজিৰ নহয়, আনকি তেতিয়াও আদালতে অভিযুক্তৰ বিৰুদ্ধে ফৌজদাৰী গোচৰত সিদ্ধান্ত গ্ৰহণ কৰিব নালাগে যাতে ফৌজদাৰী গোচৰত এজন অভিযুক্তই তেওঁৰ অধিবক্তাৰ ভুলৰ বাবে শাস্তি ভোগ কৰিব লগা নহয় আৰু এনে পৰিস্থিতিত আদালতে আন এজন অধিবক্তাক অভিযুক্তৰ পক্ষত ন্যায় মিত্ৰ ( amicus curiae ) হিচাপে নিযুক্তি দিব লাগে । এইটো এই কাৰণেই যে ব্যক্তিৰ স্বাধীনতা আমাৰ সংবিধানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। সংবিধানৰ ২১ নং অনুচ্ছেদ, যিয়ে ব্যক্তিৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষাৰ নিশ্চয়তা দিয়ে, যিটো সংবিধানৰ দ্বাৰা নিশ্চিত আন মৌলিক অধিকাৰসমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ মৌলিক অধিকাৰ। ২১ নং অনুচ্ছেদক মৌলিক অধিকাৰৰ ‘হৃদয় আৰু আত্মা’ বুলি ক’ব পাৰি ।

৮) আমাৰ মতামত অনুসৰি অধিবক্তাৰ অনুপস্থিতিত অভিযুক্তৰ বিৰুদ্ধে ফৌজদাৰী গোচৰৰ সিদ্ধান্ত লোৱা উচিত নহয়। আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে পাৱেল -বনাম- আলাবামা, ২৮৭ ইউ এছ ৪৫ (১৯৩২)গোচৰত লোৱা সিদ্ধান্তৰ দ্বাৰা আমি এই দৃষ্টিভংগী দৃঢ়তাৰে গ্ৰহণ কৰো, য’ত উল্লেখ কৰা হৈছিল :-

“তেন্তে শুনানিৰ মাজত কি কি অন্তৰ্ভুক্ত হৈ থাকে? ঐতিহাসিকভাৱে আৰু প্ৰথা অনুসৰি, আমাৰ দেশত অন্ততঃ, আৱশ্যকতা অনুসৰি সদায় অধিবক্তাৰ সহায় লাভ কৰাৰ অধিকাৰ ইয়াত অন্তৰ্ভুক্ত হৈ আহিছে আৰু পক্ষৰসমূহৰ অধিকাৰ সাব্যস্তকৰণৰ দ্বাৰা ইয়াক প্ৰদান কৰা হয় । বহুগোচৰত শুনানিৰ অধিকাৰ কিছুপৰিমানেহে প্ৰাপ্ত হ’ব, যদিহে ইয়াত কোনো অধিবক্তাৰ দ্বাৰা

কৰা শুনানিৰ অধিকাৰ অন্তৰ্ভুক্ত নহয়। আনকি বুদ্ধিমান আৰু সাধাৰণ শিক্ষিত মানুহৰো আইনৰ বিজ্ঞানত কেতিয়াবা কিছু আৰু কেতিয়াবা কোনো ধৰনৰ দক্ষতা নাথাকে। সাধাৰণতে, যদি অপৰাধৰ অভিযোগ উত্থাপিত হয়, তেতিয়া যি অভিযোগনামা দাখিল কৰা হৈছে সেইয়া ভাল নে বেয়া নিজেই নিৰ্ধাৰণ কৰাৰ বাবে তেওঁ অক্ষম। তেওঁ সাক্ষী বা প্ৰমাণৰ নিয়মৰ সৈতেও অচিনাকি। অধিবক্তাৰ সহায় অবিহনে এৰি দিলে এটা সঠিক অভিযোগৰ অবিহনে তেওঁৰ বিৰুদ্ধে বিচাৰ অনুস্হিত হ'ব পাৰে আৰু অসম্পূৰ্ণ প্ৰমাণ, বা বিষয়টোৰ সৈতে অপ্ৰাসংগিক প্ৰমাণ বা অন্যথা অগ্ৰাহ্যযোগ্য প্ৰমাণৰ বাবেও দোষী সাব্যস্তকৰণ হ'ব পাৰে। যদিও তেওঁ এজন নিখুঁত ব্যক্তি, তথাপিও পৰ্যাপ্ত পৰিমাণে প্ৰতিৰক্ষা প্ৰস্তুত কৰিবলৈ তেওঁৰ দক্ষতা আৰু জ্ঞান দুয়োটাৰে অভাৱ। তেওঁৰ বিৰুদ্ধে চলি থকা কাৰ্য্যবিধিৰ প্ৰতিটো পদক্ষেপতে তেওঁক এজন অধিবক্তাৰ সহায়ৰ প্ৰয়োজন। ইয়াৰ অবিহনে, যদিও তেওঁ দোষী নহয়, তথাপিও তেওঁ দোষী সাব্যস্ত হোৱাৰ বিপদৰ সন্মুখীন হ'ব পাৰে কাৰণ তেওঁ নিজৰ নিৰ্দোষীতাক কেনেকৈ প্ৰতিষ্ঠা কৰিব লাগে এই বিষয়ে জ্ঞাত নহয়। বুদ্ধিমান মানুহৰ ক্ষেত্ৰত যদি সেয়াই প্ৰকৃত সত্য, তেন্তে অজ্ঞান, নিৰক্ষৰ আৰু দুৰ্বল বুদ্ধিৰ লোকৰ ক্ষেত্ৰত আৰু কিমান সত্যতা থাকিব। যদি কোনো দেৱানী বা ফৌজদাৰী গোচৰত, এখন ৰাজ্য বা সংঘীয় (মাৰ্কিন) আদালতত ইচ্ছাকৃতভাৱে কোনো পক্ষৰ বাবে নিয়োজিত আৰু তেওঁৰ হৈ হাজিৰ হোৱা অধিবক্তাৰ শুনানি অস্বীকাৰ কৰা হয়, তেনেক্ষেত্ৰত যুক্তিসংগতভাৱে হয়তো সন্দেহ কৰা নহ'বও পাৰে যে এনে অস্বীকাৰ শুনানিৰ অস্বীকাৰ আৰু, সেয়াও, সাংবিধানিক অৰ্থত যথাযথ প্ৰক্ৰিয়াৰ জৰিয়তে"।

৯) এ.এচ.মহম্মদ ৰফি-বনাম-তামিলনাডু আৰু অন্যান্য, এআইআৰ ২০১১ উচ্চতম ন্যায়ালয় ৩০৮, গোচৰৰ ২৪নং দফাৰ জৰিয়তে এই আদালতৰ

অনুমোদন সাপেক্ষে ওপৰত উল্লেখিত আমেৰিকাৰ উষ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ উদ্ধৃতি দিয়া হৈছিল ।

১০) এই আদালতৰ দ্বাৰা আমি ইয়াত গ্ৰহণ কৰা দৃষ্টিভংগীৰ অনুৰূপ দৃষ্টিভংগী মান সিং আৰু অন্য -বনাম- মধ্যপ্ৰদেশ (২০০৮) ৯ এছচিচি ৫৪২, আৰু বাপু লিম্বাজী কাম্বলে -বনাম- মহাৰাষ্ট্ৰ (২০০৫) ১১ এছচি ৪১২ গোচৰতো গ্ৰহণ কৰা হৈছিল ।

১১) এই সন্দৰ্ভত আমি সংবিধানৰ ২১ নং অনুচ্ছেদ আৰু ২২(১) নং অনুচ্ছেদৰ প্ৰসংগও উল্লেখ কৰিব পাৰোঁ । সংবিধানৰ ২১ নং আৰু ২২(১) অনুচ্ছেদ অনুসৰি :

"২১ নং অনুচ্ছেদ : জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষা - কোনো ব্যক্তিক তেওঁৰ জীৱন বা ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰিব নোৱাৰি কেৱল আইনৰ দ্বাৰা স্থাপিত কাৰ্য্যবিধিৰ বাহিৰে"।

অনুচ্ছেদ ২২(১)। কিছুমান বিশেষ গোচৰত গ্ৰেপ্তাৰ আৰু আটক হোৱাৰ পৰা সুৰক্ষা - (১) গ্ৰেপ্তাৰ কৰা কোনো ব্যক্তিকে গ্ৰেপ্তাৰৰ ভিত্তিসমূহ অৱগত নকৰাকৈয়ে লগে লগে জিম্মাত ল'ব নোৱাৰিব, আৰু তেওঁৰ পছন্দৰ আইন অনুশীলনকাৰী ব্যক্তিৰ পৰা পৰামৰ্শ লোৱাৰ অধিকাৰ আৰু প্ৰতিৰক্ষা গ্ৰহণ অধিকাৰ অস্বীকাৰ কৰিব নোৱাৰিব।

১২) মেনকা গান্ধী -বনাম- ভাৰত যুক্তৰাজ্য, এআইআৰ ১৯৭৮ এছচি ৫৯৭, গোচৰত এই আদালতৰ এক সংবিধান বিচাৰপীঠে গৃহীত কৰিছিল যে কোনো ব্যক্তিক জীৱন বা স্বাধীনতাৰ পৰা বঞ্চিত কৰাৰ পদ্ধতিটো শুদ্ধ, যুক্তিসংগত আৰু ন্যায়সংগত হ'ব লাগে । আমাৰ মতামত যে এটা ফৌজদাৰী গোচৰত অধিবক্তাৰ অনুপস্থিতিত অভিযুক্তৰ বিৰুদ্ধে সিদ্ধান্ত লোৱাটো উচিত আৰু ন্যায়সংগত নহয় । কেৱল এজন উকীল, যিজন আইনৰ সৈতে পৰিচিত ব্যক্তি তেওঁহে এটা ফৌজদাৰী গোচৰত অভিযুক্তক সঠিকভাৱে প্ৰতিৰক্ষা প্ৰদান কৰিব পাৰে । সেয়েহে আমাৰ মতে যদি এটা

ফৌজদাৰী গোচৰত (সেইটো প্ৰাথমিক বিচাৰ বা আপীল/পুনৰীক্ষণ যিয়েই নহওঁক) অধিবক্তাৰ অনুপস্থিতিত অভিযুক্তৰ বিৰুদ্ধে সিদ্ধান্ত লোৱা হয়, এইক্ষেত্ৰত সংবিধানৰ ২১ নং অনুচ্ছেদৰ উলংঘন হ'ব ।

১৩) ইংলেণ্ডত তিনি শতিকাৰো অধিক সময় ধৰি অধিবক্তাৰ জৰিয়তে হাজিৰ হোৱাৰ অধিকাৰৰ প্ৰৱৰ্তন আছিল । প্ৰাচীন ৰোমত বিদ্বান উকীল সকল যেনে, চিচেৰো, স্কেভোলা, ক্ৰাছাছ আদি যিসকলে অভিযুক্তক প্ৰতিৰক্ষা প্ৰদান কৰিছিল। আচলতে মানৱ সভ্যতাই যিমানেই উত্তৰণৰ দিশে আগবাঢ়িছে, সিমানেই স্পষ্ট আৰু শক্তিশালী অধিকাৰৰ সৃষ্টি হৈছে, আৰু ইয়াক সিমানেই দৃঢ়ভাৱে প্ৰকাশ কৰা আৰু বৰ্তাই ৰখা হৈছে । আনকি নুৰেমবাৰ্গৰ বিচাৰ প্ৰক্ৰিয়াত নাজী যুদ্ধাপৰাধীসকলকো, যিসকল লাখ লাখ লোকক হত্যা কৰাৰ বাবে দায়ী, তেতিয়াও তেওঁলোকক অধিবক্তা প্ৰদান কৰা হৈছিল। সেয়েহে, যেতিয়া আমি কওঁ যে অভিযুক্তক এজন অধিবক্তা প্ৰদান কৰিব লাগে তেতিয়া আমি কোনো নীতি নতুনকৈ প্ৰৱৰ্তন কৰাৰ কথা কোৱা নাই কিন্তু ইতিমধ্যে যি বিদ্যমান আছিল আৰু যিটো এটা সভ্য জনগোষ্ঠীয়ে বহুদিনৰ পৰা উপভোগ কৰি আহিছে তাক সাধাৰণভাৱে স্বীকৃতি দিয়া হৈছে ।

১৪) ওপৰত উল্লেখ কৰাৰ উপৰিও বিশিষ্ট আইনবিদ ছীৰভাইয়ে তেওঁৰ "ভাৰতৰ সাংবিধানিক আইন' গ্ৰন্হখনৰ তৃতীয় সংস্কৰণ, সংখ্যা- ঝ, পৃ. ৮৫৭ ব্যক্ত কৰা কথাখিনিৰ সৈতে আমি একমত যে:

"অধিবক্তাৰ দ্বাৰা প্ৰতিৰক্ষা গ্ৰহণ কৰা অধিকাৰটো যেন চাপত থকাৰ দৰে নালাগে আৰু যিটো অজৈব সিঙৰ (১৯৫৩) এছ.চি.আৰ ২৫৪ গোচৰত স্পষ্টভাৱে আৰু বিশদভাৱে বিবেচনা কৰা নাছিল । কিন্তু কোনো অপৰাধৰ অভিযোগত অভিযুক্ত ব্যক্তিৰ ক্ষেত্ৰত, বা যাৰ বিৰুদ্ধে ফৌজদাৰী কাৰ্য্যবিধি আইনৰ অধীনত কাৰ্য্যবিধি অনুস্হিত কৰা হৈছিল তেওঁৰ ক্ষেত্ৰত এইটো এটা

মূল্যৱান অধিকাৰ যিটোক ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ধাৰা ৩৪০ ত স্বীকৃতি দিয়া হৈছিল। সাংবিধানৰ ২২ (১) নং অনুচ্ছেদত সন্নিবিষ্ট কৰা অনুসৰি সেই অধিকাৰক সাংবিধানিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে, আৰু যদিহে কোনো বাধ্যতামূলক কাৰণ নাথাকে, ন্যায়িক নিৰ্মাণৰ দ্বাৰা ২২ (১) নং অনুচ্ছেদ কৰ্তন কৰা উচিত নহয়। এইটোও ব্যক্ত কৰা হৈছে যে অনুচ্ছেদ ২২ (১) য়ে ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ধাৰা ৩৪০ অধীনৰ এক বিধিগত অধিকাৰক ফৌজদাৰী বা অৰ্ধ-ফৌজদাৰী কাৰ্য্যবিধিৰ ক্ষেত্ৰত সাংবিধানিক অধিকাৰ হিচাপে প্ৰৱৰ্তন কৰে।

১৫) শ্ৰীমান ছীৰভাইৰ উক্ত পৰ্যবেক্ষণসমূহৰ সৈতে আমি সম্পূৰ্ণৰূপে একমত। আমাৰ সংবিধানৰ প্ৰতিষ্ঠাপক পিতৃসকল, যিসকল নিজেই স্বাধীনতা সংগ্ৰামী আছিল, যিয়ে আমাৰ নাগৰিকৰ স্বাধীনতা বিদেশী শাসনৰ অধীনত পদপিষ্ট হোৱা দেখিছিল আৰু তেওঁলোক নিজেই 'না ভাকেল, না দলিল, না আপীল' (কোনো উকীল নাই, নহয় শুনানি, কোনো আপীল নাই)সূত্ৰৰ অধীনত দীৰ্ঘদিন ধৰি কাৰাবন্দী হৈ আছিল। তেওঁলোকৰ বহুতেই পেছাত উকীল আছিল, আৰু বিশেষকৈ ফৌজদাৰী গোচৰত অধিবক্তাৰ গুৰুত্ব জানিছিল । এই কাৰণেই তেওঁলোকে সংবিধানৰ ২২ (১ ) নং অনুচ্ছেদৰ অধীনত অধিবক্তাৰ দ্বাৰা সহায়ৰ ব্যৱস্থা সন্নিবিষ্ট কৰিছিল আৰু সেই বিধানে প্ৰতিষ্ঠাপক পিতৃসকলৰ উদ্দেশ্য কাৰ্যকৰী কৰিবলৈ বহল নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগিব ।

১৬) এই সম্পৰ্কে আমি, আৰ.টি. মাননীয় শ্ৰীনিবাস শাস্ত্ৰীয়ে, ৰ'লেট বিল উত্থাপন কৰাৰ সময়ত (ৰ'লেট আইন অনুসৰি অধিবক্তাসকলক এই আইনৰ অধীনৰ গোচৰৰ অভিযুক্তসকলৰ পক্ষত হাজিৰ হোৱাটো নিষিদ্ধ কৰা হৈছিল),মহান বিধান পৰিষদত ৭ফেব্ৰুৱাৰী ১৯১৯ চনত প্ৰদান কৰা তেওঁৰ উদাত্ত ভাষনৰো উদ্ধৃতি দিব পাৰো -

যেতিয়া চৰকাৰে দমনমূলক নীতি গ্ৰহণ কৰে, তেতিয়া নিৰীহসকল নিৰাপদ নহয়। মোৰ দৰে পুৰুষক নিৰ্দোষী বুলি গণ্য কৰা নহ'ব। তেতিয়া নিৰ্দোষী হ'ব তেওঁ যি ৰাজনীতি ত্যাগ কৰে, যিজনে সেই সময়ৰ ৰাজহুৱা গতিবিধিত কোনো অংশ গ্ৰহণ নকৰে, যি তেওঁৰ ঘৰত অৱসৰ পালন কৰে, প্ৰাৰ্থনা গুণগুণাই থাকে, কৰ পৰিশোধ কৰে, আৰু সকলো চৰকাৰী বিষয়াক ছালাম কৰে। যিসকলে ৰাজনৈতিক ক্ষেত্ৰত হস্তক্ষেপ কৰে, যিকোনো ৰাজহুৱা উদ্দেশ্য বাবে ধন সংগ্ৰহ কৰি ঘূৰি ফুৰে, যিজনে ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰে, তেতিয়া সেইজন সন্দেহজনক হৈ পৰে। এই ক্ষেত্ৰত মই সদায় সীমান্তত আৰু সেয়েহে, মই আন একো ন'হলেও ব্যক্তিগত কাৰণ বশত: এনেদৰে ক'বলৈ বাধ্য যে, এই কঠোৰ প্ৰকৃতিৰ কাৰ্যবাহী বিষয়াৰ হাতত ক্ষমতাৰ দখল থাকিলে, কেৱল দুষ্ট প্ৰকৃতিৰ লোককে শাস্তি নিদিয়ে, বেয়াৰ লগতে ভাল লোককো শাস্তি প্ৰদান কৰিব আৰু তাত ৰাজহুৱা উদ্দেশ্য ইমান নিম্নগামী হ'ব যে এখন দায়িত্বশীল চৰকাৰৰ বিষয়ে কোৱা আপোনাৰ সকলো কথা কেৱল উপহাসহে হ'ব ।

"দেশত প্ৰচলিত এক ভয়ংকৰ আইনৰ কাৰণে সৎলোকজন দেশৰ আইনৰ ভয়ত ঘৰত আবদ্ধ হৈ থাকিবলৈ বাধ্য হোৱোতো, তেওঁৰ স্বভাৱগত কামবোৰত লিপ্ত হোৱাৰ পৰা বিৰত থকাটো, সকলো ৰাজনৈতিক আৰু ৰাজহুৱা কামৰ পৰা বিৰত থকাতকৈ কেইজনমান নীতিজ্ঞানহীনলোক বিদেশলৈ যোৱাটো বহুগুণে ভাল।"

১৭) গিডিয়ান বনাম ৱেইনৰাইট, ৩৭২ ইউ এছ ৩৩৫ (১৯৬৩)ত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হুগো ব্লেকে আদালতৰ সৰ্বসন্মতিক্ৰমে দিয়া ৰায়দানত পৰ্যবেক্ষণ কৰা হৈছে:-
"ফৌজদাৰী আদালতত অধিবক্তাসকল প্ৰয়োজনীয়তা, বিলাসীতা নহয়"।

১৮) ক্ৰুয়াৰ –বনাম– উইলিয়াম, ৪৩০ ইউ এছ ৩৮৭ (১৯৭৭) ত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ষ্টুৱেৰ্টে প্ৰদান কৰা মতামতত পৰ্যবেক্ষণ কৰা হৈছে;–

" ফৌজদাৰী আইন কাৰ্যকৰীকৰণৰ দায়িত্বত থকা ৰাজ্যৰ কাৰ্যবাহী আৰু ন্যায়িক বিষয়াৰ ওপৰত প্ৰয়োগ কৰা হেঁচা মহান। কিন্তু সেই হেঁচাৰ যথাযথ পূৰ্বানুমানযোগ্যতা, যিয়ে সংবিধানখনে আমাৰ সকলোৰে মাজত প্ৰসাৰিত হোৱাকৈ প্ৰদান কৰা নিশ্চয়তাসমূহৰ প্ৰতি এক দৃঢ় আনুগত্যকো আৱশ্যকীয় কৰি তোলে।"

১৯) ওপৰত উল্লেখিত কাৰণসমূহৰ বাবে আমি এই আপীল আবেদনত অনুমতি প্ৰদান কৰিছো, উচ্চ ন্যায়ালয়ৰ বিবাদিত ৰায়দান বাতিল কৰিছো আৰু উচ্চ ন্যায়ালয়ত নিয়োজিত আপীলকাৰীৰ নতুন বিদ্বান অধিবক্তা শ্ৰীমান সিনহা বা আপীলকাৰীয়ে নিয়োজিত কৰা অন্য কোনো অধিবক্তা বা এইসকলৰ অনুপস্থিতিত, ন্যায়মিত্ৰ (amicus curiae) হিচাপে ফৌজদাৰী গোচৰৰ অনুশীলন কৰা এজন অধিবক্তাৰ, অভিযুক্তৰ পক্ষত শুনানিৰ গ্ৰহণ কৰাৰ পিছত উক্ত গোচৰৰ নতুন সিদ্ধান্ত গ্ৰহণ কৰিবৰ বাবে উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰা হয় ।

২০) বিবাদিত ৰায়দান কৰা ন্যায়াধীশসকলৰ বিপৰীতে অন্য ন্যায়াধীশ সম্বলিত পৃথক বিচাৰপীঠে গোচৰটোৰ শুনানি গ্ৰহণ কৰিব ।

২১) ইং ২৪.০১.২০১১ তাৰিখে এই আদালতে গৃহীত কৰা আদেশৰ জৰিয়তে আপীলকাৰীক জামিন প্ৰদান কৰা হয়, যিটো উচ্চ ন্যায়ালয়ে আপীলৰ সিদ্ধান্ত গ্ৰহণ নকৰা পৰ্য্যন্ত বাহাল থাকিব ।

২২) আমি পুনৰ কওঁ যে এজন অধিবক্তাৰ অনুপস্থিতিত, সি যি কাৰণতেই নহওক কিয়, অভিযুক্তৰ বিৰুদ্ধে গোচৰটোৰ তৎক্ষণাত সিদ্ধান্ত লোৱা উচিত

নহয়, কিন্তু এনে পৰিস্থিতিত আদালতে ন্যায় মিত্র (amicus curiae) হিচাপে এজন অধিবক্তা নিযুক্তি দিব লাগে কৰিব লাগে যিয়ে ফৌজদাৰী গোচৰৰ অনুশীলন কৰে আৰু এটা তাৰিখ নিৰ্ধাৰণ কৰি, তেওঁৰ শুনানি গ্ৰহণ কৰাৰ পিছত গোচৰৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে।

২৩) যদি অধিবক্তাৰ শুনানি গ্ৰহণ কৰিবলগীয়া পৰৱৰ্তী তাৰিখত, যি গৰাকী অধিবক্তা আগৰ তাৰিখত হাজিৰ হ'ব লাগিছিল কিন্তু হোৱা নাছিল, এতিয়া হাজিৰ হৈছে, কিন্তু আগৰ তাৰিখত তেওঁ উপস্থিত থাকিব নোৱাৰাৰ উপযুক্ত কাৰণ দৰ্শাব নোৱাৰে, তেতিয়া তেওঁক অভিযুক্তৰ পক্ষত গোচৰত হাজিৰ হৈ যুক্তি আগবঢ়োৱাৰ পৰা বহিস্কৃত কৰা হ'ব। কিন্তু, এনে পৰিস্থিতিত অভিযুক্তৰ বাবে দুটা পথ মুকলি থাকিব হয় তেওঁ আন এজন অধিবক্তা নিয়োজিত কৰিব পাৰে বা আদালতে ন্যায় মিত্র (amicus curiae) হিচাপে নিযুক্তি দিয়া অধিবক্তাৰ দ্বাৰা শুনানিৰ কাম আগবঢ়াই নিব পাৰে ।

ডি.জি. আপীলত অনুমতি প্ৰদান কৰা হৈছে ।

অনুবাদক -উৰ্মি হাজৰিকা

কণিষ্ঠ অনুবাদক, অনুবাদ শাখা।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব।

সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱে ই সঠিক বুলি বিবেচিত হ'ব।"